বিছমিল্লাহিৰ ৰাহমানিৰ ৰাহিম

# খোতবা জুমা

## আল্লাহৰ ওপৰত ভৰসা (তাৱাক্কুল) সন্দৰ্ভত হজৰত মহম্মদ (ছাঃ)ৰ জীৱনীৰ ঈমান উদ্দীপক বিৱৰণ

أَشْهَدُ أَنْ لَا إِلٰهَ إِلَّا اللهُ وَحْدَهُ لَا شَرِيْكَ لَهُ وَأَشْهَدُ أَنَّ مُحَمَّدًا عَبْدُهُ وَرَسُوْلُهُ أَمَّا بَعْدُ فَأَعُوْذُ بِاللهِ مِنَ الشَّيْطٰنِ الرَّجِيْمِ۔
بِسْمِ اللهِ الرَّحْمٰنِ الرَّحِيْمِ۔ اَلْحَمْدُ لِلّٰهِ رَبِّ الْعٰلَمِيْنَ۔ الرَّحْمٰنِ الرَّحِيْمِ۔ مٰلِكِ يَوْمِ الدِّيْنِ۔
إِيَّاكَ نَعْبُدُ وَإِيَّاكَ نَسْتَعِيْنُ۔ اِهْدِنَا الصِّرَاطَ الْمُسْتَقِيْمَ۔
صِرَاطَ الَّذِيْنَ أَنْعَمْتَ عَلَيْهِمْ غَيْرِ الْمَغْضُوْبِ عَلَيْهِمْ وَلَا الضَّآلِّيْنَ۔

**ছৈয়দিনা হজৰত আমিৰুল মোমিনীন খলিফাতুল মছীহ আল-খামিছ (আইঃ)এ ১৮ চেপ্তেম্বৰ ২০২৬ চনত মছজিদ মোবাৰক ইছলামাবাদ (ইউ, কে)ত প্ৰদান কৰা জুমাৰ খোতবাৰ সাৰাংশ**

তাশ্বাহুদ তাউজ আৰু ছুৰা ফাতিহা পাঠৰ পিছত হুজুৰ আনোৱাৰ (আইঃ) এ কৈছে,

মহানবী হজৰত মহম্মদ (ছাল্লাল্লাহু আলাইহি ৱাছাল্লাম)-ৰ আল্লাহ তা'লাৰ ওপৰত থকা তাৱাক্কুল (ভৰসা)-ৰ কথা উল্লেখ কৰি বিগত খোতবাত মই তেওঁৰ মক্কাৰ পৰা হিজৰতৰ ঘটনাসমূহ বৰ্ণনা কৰিছিলোঁ। এই যাত্ৰাৰ কিছু অতিৰিক্ত বিৱৰণো ইতিহাসত পোৱা যায়, যিয়ে তেখেতৰ তাৱাক্কুলৰ মহিমাক আৰু অধিক উজ্জ্বল কৰি তোলে।

হিজৰতৰ সময়ত ছুৰাকাহ বিন মালিকে কুৰাইশ্বসকলৰ দ্বাৰা ঘোষিত পুৰস্কাৰৰ লোভত মহানবী (ছাঃ) আৰু হজৰত আবু বকৰ (ৰাঃ)-ৰ পিছে পিছে খেদি গৈছিল। ছুৰাকাহ পিছলৈ ইছলাম গ্ৰহণ কৰে আৰু তেওঁ নিজেই এই ঘটনাটো বৰ্ণনা কৰিছে। তেওঁৰ মতে, কুৰাইশ্বসকলে মহানবী (ছাঃ) আৰু হজৰত আবু বকৰ (ৰাঃ)-ক জীৱন্ত বা মৃত অৱস্থাত ধৰি আনিব পৰা ব্যক্তিক প্ৰত্যেকৰে বাবদে এশটাকৈ উট পুৰস্কাৰ দিয়াৰ কথা ঘোষণা কৰিছিল।

যেতিয়া ছুৰাকাই গম পালে যে উপকূলৰ পিনে তিনিজনীয়া এটা দল গৈ আছে আৰু এই দলটো মহম্মদ (ছাঃ) আৰু তেওঁৰ সংগীসকল হোৱাৰ প্ৰবল সম্ভাৱনা আছে, তেতিয়া তেওঁ এই খবৰটো লুকুৱাই ৰাখিলে যাতে পুৰস্কাৰত আন কোনো অংশীদাৰ হ'ব নোৱাৰে।

ছুৰাকাই তেওঁৰ দ্ৰুতবেগী ঘোঁৰাটো অনালে আৰু কাফেলাটোৰ পিছে পিছে খেদি গ'ল। তেওঁ অতি সোনকালে কাফেলাটোৰ ওচৰ পালেগৈ, আনকি মহানবী (ছাঃ)-এ পৱিত্ৰ কোৰআন তিলাৱত কৰাৰ শব্দও তেওঁৰ কাণত পৰিল। হজৰত আবু বকৰ (ৰাঃ)-এ বাৰে বাৰে পিছফালে ঘূৰি চাইছিল, কিন্তু মহানবী (ছাঃ)-এ ইফালে-সিফালে চোৱা নাছিল।

ছুৰাকাহৰ ঘোঁৰাটোৱে অস্বাভাৱিকভাৱে উজুটি খালে আৰু তাৰ ভৰি কেইখন বালিত সোমাই পৰিল। তেওঁ ভাগ্যান্বেষণৰ তীৰ নিক্ষেপ কৰি চালে, যিটো তেওঁৰ ইচ্ছাৰ বিপৰীতে ওলাল; তথাপিও পুৰস্কাৰৰ লোভত তেওঁ আগুৱাই গৈ থাকিল। অৱশেষত ঘোঁৰাটোৰ ভৰি পুনৰ বালিত সোমাই পৰিল আৰু ছুৰাকাই অনুভৱ কৰিলে যে এই খেদাত কোনো কল্যাণ বা মংগল নাই।

ইয়াৰ পিছত ছুৰাকাই নিৰাপত্তা (আমান) বিচাৰি চিঞৰি উঠিল আৰু ক'লে যে তেওঁৰ ফালৰ পৰা কোনো ক্ষতি কৰা নহ'ব। মহানবী (ছাঃ)-এ হজৰত আবু বকৰ (ৰাঃ)-ক ক'লে, তেওঁক সোধা, তেওঁ কি বিচাৰে?

ছুৰাকাই তেওঁ খেদি অহাৰ উদ্দেশ্য প্ৰকাশ কৰিলে আৰু ক'লে যে মক্কাবাসীয়ে আপোনালোক দুজনৰ বাবে পুৰস্কাৰৰ ঘোষণা কৰিছে আৰু তেওঁ সেই লোভতেই আহিছিল; কিন্তু তেওঁৰ সৈতে যি ঘটিল ইয়াৰ পৰা তেওঁ বুজি পালে যে পিছানুসৰণ কৰাটো উচিত নহয়। তেওঁ যাত্ৰাৰ বাবে খৰচ আৰু বয়-বস্তুৰ প্ৰস্তাৱো দিছিল, কিন্তু হজৰত মহম্মদ (ছাঃ)-এ সেয়া গ্ৰহণ নকৰিলে আৰু কেৱল ক'লে যে আমাৰ বিষয়ে কাকো একো নজনাব। ছুৰাকাই এই প্ৰতিশ্ৰুতি দিলে আৰু নিৰাপত্তাৰ এখন লিখিত পত্ৰ বিচাৰিলে। হজৰত মহম্মদ (ছাঃ)ৰ নিৰ্দেশ মৰ্মে তেওঁক নিৰাপত্তাৰ পত্ৰ প্ৰদান কৰা হ'ল। এটা বৰ্ণনা অনুসৰি, উভতি যোৱাৰ সময়ত হজৰত মহম্মদ (ছাঃ)-এ ছুৰাকাক সম্বোধন কৰি ক'লে যে, হে ছুৰাকা! তোমাৰ অৱস্থা কেনেকুৱা হ'ব যেতিয়া কিস্ৰা (পাৰস্যৰ সম্ৰাট)ৰ খাৰু তোমাৰ হাতত থাকিব? ছুৰাকাই আচৰিত হৈ সুধিলে: হৰমুজৰ পুত্ৰ কিস্ৰা? তেখেত (ছাঃ)এ উত্তৰ দিলে: হয়, সেই একেজন কিস্ৰা বিন হৰমুজ। হজৰত ওমৰ (ৰাঃ)ৰ খিলাফতৰ সময়ত যেতিয়া কিস্ৰাৰ খাৰু, মুকুট আৰু কঁকালৰ পেটি অনা হৈছিল, তেতিয়া হজৰত ওমৰ (ৰাঃ)-এ ছুৰাকাক মাতি আনিলে, তেওঁক সেই খাৰু পিন্ধালে আৰু ক'লে যে কোৱা: সকলো প্ৰশংসা কেৱল আল্লাহৰ বাবে, যিজনে কিস্ৰা বিন হৰমুজৰ পৰা এইবোৰ কাঢ়ি আনি তোমাক প্ৰদান কৰিছে।

হুজুৰ আনোৱাৰে কৈছে: সমলৰ ব্যৱস্থা আৰু ব্যৱহাৰ, আৰু তাৰ পিছত আল্লাহৰ ওপৰত ভৰসা কৰাটো অতি প্ৰয়োজনীয় কথা। হজৰত মহম্মদ (ছাঃ)ৰ তাৱাক্কুল (আল্লাহৰ ওপৰত ভৰসা)ৰ কথা উল্লেখ কৰি হজৰত মুছলেহ মাওউদে এই কথাটো এনেদৰে বৰ্ণনা কৰিছে যে যিজন ব্যক্তিৰ আল্লাহৰ অস্তিত্বৰ ওপৰত বিশ্বাস আছে আৰু লগতে তেওঁ এইটোও বিশ্বাস কৰে যে আল্লাহে মোক এক বিশেষ উদ্দেশ্যৰ বাবে সৃষ্টি কৰিছে, তেন্তে তেওঁ কেনেকৈ কৰ্ম ত্যাগ কৰিব পাৰে? তেওঁ দেখোন আটাইতকৈ বেছি কৰ্ম কৰোঁতা হয়। মহম্মদ ৰছুলুল্লাহ (ছাঃ)ৰ কৰ্ম তেখেতৰ ঈমান (বিশ্বাস)ৰ কাৰণেই আছিল, কিয়নো যিজন ব্যক্তিয়ে বুজি পায় যে এজন আল্লাহ আছে আৰু তেওঁ মোক এক বিশেষ উদ্দেশ্যৰ বাবে সৃষ্টি কৰিছে, তেন্তে তেওঁ সেই উদ্দেশ্যত উপনীত হ'বলৈ চেষ্টাও কৰে। সেয়েহে চাওক, মহম্মদ ৰছুলুল্লাহ (ছাঃ)-এ যিদৰে ঈমান প্ৰকাশ কৰে, যিদৰে তেওঁ ছুৰ গুহাত বহি থকা অৱস্থাত হজৰত আবু বকৰ (ৰাঃ)ক কয় যে, আবু বকৰ ভয় নকৰিবা, আল্লাহ আমাৰ লগত আছে আৰু তেৱেঁই আমাৰ ৰক্ষক, আনফালে আকৌ তেওঁ দ্বীন (ধৰ্ম)ৰ অন্যান্য কামত দিন-ৰাতি এনেদৰে ব্যস্ত থাকে যে এনে লাগে যেন গোটেই বিশ্বব্ৰহ্মাণ্ডৰ কাম তেখেতৰ ওপৰত অৰ্পণ কৰা হৈছে। গতিকে মানৱীয় প্ৰচেষ্টা যিমানদূৰ সম্ভৱ আছিল, তেওঁ সকলো ধৰণৰ ব্যৱস্থা গ্ৰহণ কৰিছিল আৰু তাৰ পিছতহে আল্লাহৰ ওপৰত ভৰসা কৰিছিল। সেয়েহে তেখেতৰ বিশ্বাস অজ্ঞানতা আৰু এলেহুৱা প্ৰকৃতিৰ নাছিল, বৰং তেখেতৰ বিশ্বাস আছিল পৰ্যবেক্ষণমূলক বিশ্বাস, আৰু পৰ্যবেক্ষণমূলক বিশ্বাস সেইজন ব্যক্তিৰহে থাকে যিয়ে একে সময়তে আল্লাহৰ ওপৰত ভৰসাও কৰে আৰু কৰ্মও কৰে, অৰ্থাৎ কৰ্ম আৰু ভৰসা দুয়োটাকে একেলগে ৰাখে।

হজৰত মছীহ মাওউদ (আঃ)এ কৈছে যে পৱিত্ৰ মক্কাত তেৰ বছৰৰ বিপদৰ সময়ছোৱাত হজৰত মহম্মদ (ছাঃ)-এ এজন পৰিপূৰ্ণ সত্যনিষ্ঠ ব্যক্তিৰ চৰিত্ৰ প্ৰদৰ্শন কৰিছিল। তেখেত আল্লাহৰ ওপৰত ভৰসা কৰিছিল, আক্ষেপ আৰু বিলাপৰ পৰা বিৰত আছিল, নিজৰ কামত কোনো ধৰণৰ এলাহ কৰা নাছিল আৰু কাৰো ভয়-ভাবুকিলৈ কেৰেপ কৰা নাছিল। আনকি কাফিৰসকলেও তেওঁৰ অটল স্থিতি দেখি এই কথাৰ সাক্ষী দিবলৈ বাধ্য হৈছিল যে আল্লাহৰ ওপৰত পূৰ্ণ ভৰসা নোহোৱাকৈ এনে স্থিৰতা আৰু দুখ-কষ্ট সহ্য কৰাটো অসম্ভৱ। মদিনালৈ অহাৰ পিছতো হজৰত মহম্মদ (ছাঃ)-এ আল্লাহৰ ওপৰত ভৰসা ৰখাৰ সমান্তৰালভাৱে পাৰ্থিৱ সমলসমূহো গ্ৰহণ কৰিছিল।

হজৰত আবি বিন কা'বৰ পৰা বৰ্ণিত হৈছে যে যেতিয়া ৰছুলুল্লাহ (ছাঃ) আৰু চাহাবাসকল মদিনালৈ আহিছিল আৰু আনছাৰসকলে তেওঁলোকক আশ্ৰয় দিছিল, তেতিয়া সমগ্ৰ আৰৱ তেওঁলোকৰ বিৰুদ্ধে একত্ৰিত হৈছিল। মুছলমানসকলৰ অৱস্থা এনেকুৱা আছিল যে তেওঁলোকে অস্ত্ৰ-শস্ত্ৰ অবিহনে ৰাতিও পাৰ নকৰিছিল আৰু দিনো অতিবাহিত নকৰিছিল। আল্লাহৰ ওপৰত ভৰসা (তৱাক্কুল)

কৰাৰ লগতে তেওঁলোকে প্ৰতিটো সময়তে নিজৰ নিৰাপত্তাৰ ব্যৱস্থাও কৰি ৰাখিছিল। হজৰত আয়েশা (ৰাঃ) ৰ বৰ্ণনাত পোৱা যায় যে, এদিন ৰাতি ৰছুলুল্লাহ (ছঃ) সাৰে আছিল আৰু কৈছিল যে, “মোৰ চাহাবীসকলৰ মাজৰ কোনোবা এজন সৎ ব্যক্তিয়ে যদি আজি ৰাতি মোক পহৰা দিলেহেঁতেন!” এনে অৱস্থাতে অস্ত্ৰৰ শব্দ শুনা গ’ল। সোধাত ছাদ বিন আবী ৱাক্কাছ (ৰাঃ)য়ে জনালে যে তেওঁ হুজুৰ (ছাঃ)ক পহৰা দিবলৈ আহিছে। আন এটা বৰ্ণনাত ছাদ আৰু হুজাইফা অহাৰ কথা উল্লেখ আছে। ৰছুলুল্লাহ (ছাঃ)-য়ে দোৱা কৰিলে আৰু শুই পৰিল। সেই সময়তে এই আয়াত অৱতীৰ্ণ হয়: وَاللّٰہُ یَعۡصِمُکَ مِنَ النَّاسِ (আৰু আল্লাহে আপোনাক মানুহৰ পৰা ৰক্ষা কৰিব)। ইয়াৰ পিছত তেখেত (ছাঃ) এ ক’লে যে এতিয়া মানুহবোৰ উভতি যাব পাৰে, আল্লাহ তা’লাই মোৰ নিৰাপত্তাৰ দায়িত্ব লৈছে। ইয়াৰ পৰা এইটোৰেই বুজা যায় যে যেতিয়ালৈকে আল্লাহ তা’লাৰ পৰা নিশ্চিত প্ৰতিশ্ৰুতি পোৱা নাছিল, তেতিয়ালৈকে তেখেত (ছাঃ) এ বাহ্যিক নিৰাপত্তাৰ ব্যৱস্থা ৰাখিছিল আৰু যেতিয়া আল্লাহৰ তৰফৰ পৰা নিৰাপত্তাৰ নিশ্চিয়তা পোৱা গ’ল, তেতিয়া পহৰা আঁতৰাই দিলে।

হুজুৰ আনোৱাৰে কয়: যেতিয়া ৰছুল কৰীম (ছাঃ)-য়ে বিভিন্ন ৰজাসকললৈ ইছলামৰ নিমন্ত্ৰণ দি চিঠি প্ৰেৰণ কৰিছিল, তেতিয়া কিছৰাই অহংকাৰৰ বশৱৰ্তী হৈ তেখেত (ছাঃ) ৰ চিঠিখন টুকুৰা-টুকুৰ কৰি পেলাইছিল। যেতিয়া তেখেত (ছাঃ) এ এই বিষয়ে জানিব পাৰিলে, তেতিয়া পূৰ্ণ তাৱাক্কুলৰ ফলস্বৰূপে ক’লে যে আল্লাহে নিজেই তেওঁক খণ্ড-বিখণ্ড কৰিব। কিছৰাই ইয়ামনৰ গৱৰ্ণৰৰ জৰিয়তে তেখেত (ছাঃ) ক গ্ৰেপ্তাৰ কৰিবলৈ দুজন সৈন্য পঠিয়াইছিল। সিহঁতে যেতিয়া হুজুৰ (ছাঃ)ক নিজৰ প্ৰভুৰ নিৰ্দেশৰ কথা জনালে, তেতিয়া তেখেত (ছাঃ) এ কোনো ধৰণৰ ভয় প্ৰকাশ নকৰি ক’লে যে আজি ৰাতি ইয়াতেই থাকা, কাইলৈ উত্তৰ দিম। পিছদিনা ৰাতিপুৱা তেখেত (ছাঃ) এ সিহঁতক উভতি যাবলৈ ক’লে আৰু জনালে যে, মোৰ প্ৰভুৱে আজি ৰাতি তোমালোকৰ প্ৰভুক অৰ্থাৎ কিছৰাক হত্যা কৰিছে। পিছত জানিব পৰা গ’ল যে সেই ৰাতিয়েই খুচৰু পাৰভেজক তেওঁৰ পুত্ৰ শ্বিৰুয়েই হত্যা কৰিছে। আঁহজৰত (ছাঃ)-য়ে যুদ্ধৰ বাবেও পূৰ্ণ তাৱাক্কুলৰ সৈতে আল্লাহ তা’লাৰ নিৰ্দেশত গৈছিল আৰু যাত্ৰা কৰাৰ সময়ত এই দোৱা কৰিছিল: اَللّٰهُمَّ أَنْتَ عَضُدِي وَأَنْتَ نَصِيرِي وَبِكَ أُقَاتِلُ, অৰ্থাৎ হে আল্লাহ! তুমিয়েই মোৰ বাহু (শক্তি), তুমিয়েই মোৰ সহায়ক আৰু তোমাৰ জৰিয়তেই মই যুদ্ধ কৰোঁ।

হজৰত মছীহ মাওউদ (আঃ) এ কৈছে যে, বিপদৰ সময়ত মানুহ যদিও অস্থিৰ হয়, তথাপিও তাৱাক্কুল (আল্লাহৰ ওপৰত ভৰসা) কেতিয়াও হাতৰ পৰা যাবলৈ দিব নালাগে। আঁহজৰত (ছাঃ)- য়েও বদৰৰ যুদ্ধৰ সময়ত বৰ অস্থিৰতা হৈছিল, যাৰ বাবে তেখেতে প্ৰাৰ্থনা কৰিছিল যে “হে মোৰ প্ৰভু, যদি তুমি এই দলটোক ধ্বংস কৰি দিয়া তেন্তে পৃথিৱীত কেতিয়াও তোমাৰ ইবাদত কৰা নহ’ব।” কিন্তু তেখেত (ছাঃ) ৰ অস্থিৰতা কেৱল মানৱীয় প্ৰকৃতিৰ বাবেহে আছিল, কাৰণ তেখেত (ছাঃ) এ তাৱাক্কুলক কেতিয়াও হাতৰ পৰা যাবলৈ দিয়া নাছিল। দৃষ্টি আকাশৰ ফালে আছিল আৰু দৃঢ় বিশ্বাস আছিল যে খোদা তা’লাই মোক কেতিয়াও ধ্বংস হ’বলৈ নিদিয়ে। হতাশা বা নিৰাশাক ওচৰ চাপিবলৈ দিয়া নাছিল। মানৱীয় চৰিত্ৰ আৰু মৰ্যাদাৰ পূৰ্ণতাৰ বাবে এনে অস্থিৰতা অহাটো প্ৰয়োজনীয়, কিন্তু মানুহে নিৰাশাক ওচৰ চাপিবলৈ দিব নালাগে, অৰ্থাৎ হতাশা আৰু নিৰাশাক কাষ চাপিবলৈ দিয়া উচিত নহয়, কাৰণ নিৰাশা হৈছে কাফিৰসকলৰ বৈশিষ্ট্য। মানুহৰ মনত নানা ধৰণৰ চিন্তাই অস্থিৰতাৰ সন্দেহ সৃষ্টি কৰে, কিন্তু ঈমানে এই সন্দেহবোৰ দূৰ কৰি দিয়ে। মানৱীয় প্ৰকৃতিয়ে অস্থিৰতা কঢ়িয়াই আনে আৰু ঈমানে তাক প্ৰতিহত কৰে।

আহজাবৰ (খন্দকৰ) যুদ্ধত মুছলমানসকলে মদিনাত থাকি শত্ৰুৰ মুখামুখি হোৱাৰ সিদ্ধান্ত লৈছিল। এইটো আল্লাহৰ ওপৰত বিশ্বাসৰ অভাৱৰ বাবে নাছিল, বৰঞ্চ ই যুদ্ধৰ ৰণনীতিৰ অংশ আছিল। শত্ৰুৰ হঠাতে হোৱা আক্ৰমণৰ পৰা ৰক্ষা পাবলৈ মদিনাৰ চাৰিওফালে এটা খাল (খন্দক) খন্দা হৈছিল। মুছলমানসকলে চৰম দাৰিদ্ৰ্য আৰু কষ্টৰ মাজতো খাল খন্দাত অংশগ্ৰহণ কৰিছিল। আহজাবৰ যুদ্ধৰ সময়তে হজৰত জাবিৰ বিন আব্দুল্লাহ আনছাৰী (ৰাঃ) ৰ বৰ্ণনাত পোৱা যায় যে খাল খন্দাৰ সময়ত এটা কঠিন শিল ওলাইছিল। হজৰত মহম্মদ (ছল্লাল্লাহু আলাইহি ৱাছাল্লাম)-এ নিজে তাক ভাঙিবলৈ কোৰখন হাতত লৈছিল, যদিও তীব্ৰ ভোকৰ বাবে তেখেতৰ পেটত এটা শিল বান্ধি থোৱা আছিল আৰু তিনি দিন ধৰি একো খোৱা নাছিল। হজৰত জাবিৰ (ৰাঃ) এ ঘৰলৈ গৈ কিছু যৱ আৰু এটা ছাগলীৰ পোৱালিৰ ব্যৱস্থা কৰিলে। খাদ্য প্ৰস্তুত কৰি ৰছুলুল্লাহ (ছল্লাল্লাহু আলাইহি ৱাছাল্লাম)ক আমন্ত্ৰণ জনালে, কিন্তু তেখেতে

সকলো মুহাজিৰ আৰু আনছাৰক লগত লৈ গ'ল। সেই কম পৰিমাণৰ খাদ্যতে আল্লাহ তা'লাই বৰকত দিলে আৰু সকলো চাহাবীয়ে পেট ভৰাই খালে, আনকি খাদ্য ৰৈও গ'ল। তেখেত (ছল্লাল্লাহু আলাইহি ৱাছাল্লাম) এ হজৰত জাবিৰৰ পত্নীক ক'লে যে এতিয়া এইখিনি নিজে খোৱা আৰু আনকো উপহাৰ হিচাপে পঠোৱা, কাৰণ মানুহবোৰ বৰ ভোকাতুৰ হৈ আছে।
হুনাইনৰ যুদ্ধত হজৰত বাৰা বিন আজিব (ৰাঃ) এ বৰ্ণনা কৰিছে যে এসময়ত মুছলমানসকল পিছুৱাই গৈছিল, কিন্তু ৰছুলুল্লাহ (ছাল্লাল্লাহু আলাইহি ৱাছাল্লাম) যুদ্ধক্ষেত্ৰৰ পৰা পিছুৱাই যোৱা নাছিল। তেখেত (ছল্লাল্লাহু আলাইহি ৱাছাল্লাম) এ নিজৰ বগা খচ্চৰৰ ওপৰত উঠি আছিল আৰু আবু ছুফিয়ান বিন হাৰিছ বিন আব্দুল মুত্তালিব-এ তাৰ লেগাম ধৰি আছিল। তেখেত (ছল্লাল্লাহু আলাইহি ৱাছাল্লাম) এ এই কবিতাটো আবৃত্তি কৰিছিল: اَنَا النَّبِيُّ لَا كَذِب اَنَا ابْنُ عَبْدِ الْمُطَّلِبْ অৰ্থাৎ, মই নবী হওঁ, ইয়াত কোনো মিছা নাই; মই আব্দুল মুত্তালিবৰ সন্তান।
বদৰৰ যুদ্ধৰ সময়ত হাবিব বিন য়াছাফ নামৰ এজন শক্তিশালী আৰু সাহসী ব্যক্তিয়ে মুছলমানসকলৰ লগত যুদ্ধত অংশগ্ৰহণ কৰিব বিচাৰিছিল, কিন্তু তেতিয়ালৈকে তেওঁ মুছলমান হোৱা নাছিল। হজৰত মহম্মদ (ছল্লাল্লাহু আলাইহি ৱাছাল্লাম)-এ ক'লে যে আমাৰ লগত কেৱল সেইজনেই যুদ্ধলৈ যাব যিজন আমাৰ ধৰ্মৰ অনুসাৰী। হাবিব বিন য়াছাফ দ্বিতীয়বাৰ আৰু তাৰ পিছত তৃতীয়বাৰৰ বাবে আহিল। অৱশেষত যেতিয়া হজৰত মহম্মদ (ছল্লাল্লাহু আলাইহি ৱাছাল্লাম)-এ সুধিলে যে তুমি আল্লাহ আৰু তেওঁৰ ৰছুলৰ ওপৰত ঈমান আনিছানে? তেওঁ যেতিয়া হয় বুলি উত্তৰ দিলে, তেতিয়া তেওঁ মুছলমান হৈ গ'ল আৰু অত্যন্ত সাহসেৰে যুদ্ধত অংশগ্ৰহণ কৰিলে। ইয়াৰ পৰা জনা যায় যে অত্যন্ত প্ৰয়োজন থকাৰ পিছতো ৰছুল কৰিম (ছল্লাল্লাহু আলাইহি ৱাছাল্লাম)-এ আল্লাহ তা'লাৰ প্ৰতিশ্ৰুতিৰ ওপৰত বিশ্বাস ৰাখি অমুছলমানৰ সহায় গ্ৰহণ কৰা নাছিল।
হজৰত মছীহ মাওউদ (আলাইহিচ্ছালাম) এ কৈছে যে আজিকালিৰ তথাকথিত জ্ঞানী লোকসকলৰ মতে কাৰোবাক নিজৰ শত্ৰু বনোৱাটো এটা ভুল, কিন্তু সঁচা অৰ্থত ক'বলৈ গ'লে এইটোও সত্যতাৰ এটা প্ৰমাণ। হজৰত মহম্মদ (ছল্লাল্লাহু আলাইহি ৱাছাল্লাম)-এ কাৰো লগতে আপোচ নকৰিলে, বৰঞ্চ সকলোৰে লগত সম্পৰ্ক বেয়া কৰি লৈছিল। সেই লোকসকলৰ মতে নাউজুবিল্লাহ (আল্লাহে ৰক্ষা কৰক) তেখেত (ছল্লাল্লাহু আলাইহি ৱা ছাল্লাম) ভুল কৰিছিল। অথচ কেৱল আল্লাহৰ বাবে সকলোৰে লগত সম্পৰ্ক ছেদ কৰাটো তেখেতৰ সত্যতাৰ এক স্পষ্ট প্ৰমাণ, যাৰ দ্বাৰা তেখেতৰ ঈমানী শক্তিৰ প্ৰকৃত অৱস্থা জানিব পৰা যায়। اَللّٰهُمَّ صَلِّ عَلٰى مُحَمَّدٍ وَّ عَلٰى اٰلِ مُحَمَّدٍ وَّ بَارِكْ وَسَلِّمْ اِنَّكَ حَمِيْدٌ مَّجِيْدٌ (হে আল্লাহ, মহম্মদ আৰু মহম্মদৰ পৰিয়ালৰ ওপৰত শান্তি আৰু আশীৰ্বাদ বৰ্ষণ কৰক, নিশ্চয় আপুনি প্ৰশংসনীয় আৰু গৌৰৱময়)।

اَلْحَمْدُ لِلّٰہِ نَحْمَدُہٗ وَنَسْتَعِیْنُہٗ وَنَسْتَغْفِرُہٗ وَنُؤْمِنُ بِہٖ وَنَتَوَکَّلُ عَلَیْہِ وَنَعُوْذُ بِاللّٰہِ مِنْ شُرُوْرِ اَنْفُسِنَا وَمِنْ سَیِّئَاتِ اعْمَالِنَا مَن یَّھْدِہِ اللّٰہُ فَلاَ مُضِلَّ لَہُ وَمَنْ یُّضْلِلْہُ فَلاَ ھَادِیَ لَہُ وَنَشْھَدُ أَنْ لاَّ اِلٰہَ اِلاَّ اللّٰہُ وَنَشْھَدُ اَنَّ مُحَمَّدًا عَبْدُہٗ وَرَسُوْلُہٗ عِبَادَ اللّٰہِ رَحِمَکُمُ اللّٰہُ اِنَّ اللّٰہَ یأْمُرُ بِالْعَدْلِ وَالْاِحْسَانِ وَاِیْتَآءِ ذِی الْقُرْبٰی وَیَنْھٰی عَنِ الْفَحْشَآءِ وَالْمُنْکَرِ وَالْبَغْيِ یَعِظُکُمْ لَعَلَّکُمْ تَذَکَّرُوْنَ اُذْکُرُوا اللّٰہَ یَذْکُرْکُمْ وَادْعُوْہُ یَسْتَجِبْ لَکُمْ وَلَذِکْرُ اللّٰہِ اَکْبَرُ ۔

Assamese Khulasa Khutba Hazur Anowar 18 Sep 2026

Nazarat Nashr-O-Ishaat Qadian